# Visit of the Secretary General of the shanghai Cooperation Organization (SCO) to India .(Assamese Translation)

## চাংহাই সহযোগিতা সংস্থা(এচচিও)সচিব প্ৰধান গৰাকীৰ ভাৰত ভ্ৰমণ ।

ফেব্ৰুৱাৰী ২৫,২০১৪

১. কেন্দ্ৰীয় বৈদেশিক সচিব শ্ৰী মতী সুজাতা সিঙৰ আমন্ত্ৰন ক্ৰমে চাংহাই সহযোগিতা সংস্থাৰ (এচচিও)সচিব প্ৰধান মহামান্য শ্ৰী ডমট্ৰাই ফেড'ৰোভিছ মেজেন্টচেভে ২৩ ফেব্ৰুৱাৰী ২০১৪ চনৰ পৰা ২৪ ফেব্ৰুৱাৰী ২০১৪ লৈ নতুন দিল্লী ভ্ৰমন কৰে ।সচিব প্ৰধান গৰাকীয়ে বেইজিংৰ এচচিও সচিবালয়ৰ মুলৰ বিশেষজ্ঞৰ এটা প্ৰতিনিধি দলক নেতৃত্ব দিয়ে ।

২. ২০০৫ চনৰ পৰা নিৰীক্ষক সকলৰ বাবে মুকলি ৰখা এচচিওৰ বৈঠক/কাৰ্য্যসূচীত ভাৰতে সক্ৰীয় ৰূপে অংশ গ্ৰহন কৰি আহিছে ।সচিব প্ৰধান গৰাকীৰ এই ভ্ৰমনে ভাৰত আৰু এচচিওৰ মাজৰ আনুষ্ঠানিক যোগাযোগ সমুহ মজবুত কৰাত সহায় কৰিব ।তেওঁৰ ভ্ৰমন কালত সচিব প্ৰধান গৰাকীয়ে ভাৰতৰ বৈদেশিক সচিব গৰাকীৰ সৈতে বৰ্তমান সংস্থাটোৰ সৈতে ভাৰতে কোনবোৰ বিষয়ত জড়িত হৈ আছে সেই সম্পৰ্কে বিভিন্ন বিষয়ৰ বিশদ আলোচনা কৰিব ।ভাৰতৰ বিদেশ সচিব গৰাকীয়ে এচচিওত ভাৰতে এক বিশাল,সম্প্ৰসাৰিত আৰু অধিক গাঠনিক ভূমিকা গ্ৰহন কৰিবলৈ প্ৰস্তুত বুলি পুনৰ দোহাৰে ।আলোচনা কালত তেওঁলোকে দুয়োপক্ষৰ বাবে গুৰুত্ব থকা আঞ্চলিক প্ৰসংগ সমুহ আৰু বৰ্তমানৰ সময়ত গুৰুত্ব থকা সন্ত্ৰাসবাদ বিৰোধ আৰু অঞ্চলটোত নিচাযুক্ত সামগ্ৰীৰ সৰবৰাহ আদি বিষয়সমুহো আফগানিস্থানত উদ্ভৱ হোৱা পৰিস্থিতিৰ প্ৰসংগত আলোচনা কৰে ।

৩. আলোচনাৰ অন্তত মহামান্য শ্ৰী মেজেন্টচেভে সন্মানীয় কেন্দ্ৰীয় বৈদেসিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী চালমান খুৰচীদক সাক্ষাৎ কৰে ।শ্ৰী মেজেন্টাচেভে ইনষ্টিটিউত অৱ ডিফেন্স ষ্টাডি এন্ড এনালাইচিচ্(আইডিএচএ)ত অংশগ্ৰহন কৰি বিশেষজ্ঞ আৰু চিন্তাবিদ সকলৰ প্ৰতিনিধিবৰ্গৰ সৈতে বিশদ ভাৱে মতবিনিময় কৰে ।

নতুন দিল্লী

ফেব্ৰুৱাৰী ২৫,২০১৪